# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰত আৰু কানাডাৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অতি গুৰুত্বপূৰ্ণ আৰু দুয়োখন ৰাষ্ট্ৰই গণতন্ত্ৰ তথা মানৱতা শক্তিশালী কৰাৰ বাবে একেলগে কাম কৰিব লাগিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ পৰিচালন ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগজাননীৰ পৰিপ্ৰেক্ষিতত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে অসমত আজি আৰু কাইলৈ ৰেড এলাৰ্ট জাৰি কৰিছে।

৪। ইৰাণৰ যুদ্ধকালীন চীফ অব ষ্টাফ আলি ছাদমানীৰ তেহৰানৰ এটা কমাণ্ড চেণ্টাৰত হোৱা বিমান আক্ৰমণত মৃত্যু হৈছে বুলি ইজৰাইলৰ সেনাই নিশ্চিত কৰিছে।

*আৰু*

৫। এফ আই এইচ হকী প্ৰ' লীগৰ এখন মেচত কালি নিশা লণ্ডণৰ লি ভেলী হকী এণ্ড টেনিছ চেণ্টাৰত ভাৰতীয় মহিলা দলটো আৰ্জেণ্টিনাৰ হাতত পৰাস্ত হয়।

ooooo

ভাৰত আৰু কানাডাৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অতি গুৰুত্বপূৰ্ণ আৰু দুয়োখন ৰাষ্ট্ৰই গণতন্ত্ৰ তথা মানৱতা শক্তিশালী কৰাৰ বাবে একেলগে কাম কৰিব লাগিব। কানাডাৰ কানানাস্কিছত জি-চেভেন সন্মিলনত অংশগ্ৰহণৰ সুযোগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱানিশা দেশখনৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কানাডাৰ বহু কোম্পানীয়ে ভাৰতত বিনিয়োগ কৰাৰ দৰে ভাৰতৰো বহু কোম্পানীয়ে কানাডাত বিনিয়োগ কৰিছে। বৈঠকৰ পাছত সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ভাৰত আৰু কানাডা গণতন্ত্ৰ, স্বাধীনতা আৰু আইনৰ শাসন সম্পৰ্কীয় শক্তিশালী বিশ্বাসৰ জৰিয়তে সংযোজিত হৈ আছে। তেওঁ উল্লেখ কৰে যে বাণিজ্য, শক্তি, মহাকাশ, স্বচ্ছ শক্তি, খনিজ আৰু ৰাসায়নিক সাৰৰ দৰে খণ্ডই দ্বিপাক্ষিক সহযোগিতাৰ অপাৰ সম্ভাৱনীয়তা বহন কৰে। কানাডাৰ প্ৰধানমন্ত্ৰী কাৰ্নিয়ে কয়, যে জি-চেভেন সন্মিলনত ভাৰতৰ নিয়মীয়া অংশগ্ৰহণে ভাৰত আৰু প্ৰধানমন্ত্ৰী মোদীৰ গুৰুত্বক প্ৰতিফলিত কৰে।

শ্ৰীমোদীয়ে এই সন্মিলনৰ সুযোগতে জাৰ্মানী, ফ্ৰান্স, মেক্সিকো আৰু দক্ষিণ কোৰিয়াৰ নেতাসকলৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদী আৰু জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত ভাৰত-জাৰ্মানী দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনা কৰে। আলোচনাত বিশেষকৈ বাণিজ্য

আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, সেউজ বহনক্ষম উন্নয়ন অংশীদাৰিত্ব, সেউজ শক্তি, প্ৰযুক্তি, উদ্ভাৱন, শিক্ষা আদি বিষয়ে স্থান পায়। শ্ৰীমোদীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুঁজৰ প্ৰতি শক্তিশালী সমৰ্থন আগবঢ়োৱাৰ বাবে চেঞ্চেলৰ মাৰ্জক ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে মেক্সিকোৰ ৰাষ্ট্ৰপতি ক্লডিয়া চেইনবম পাৰ্ডোৰ সৈতেও বৈঠকত মিলিত হয়। ভাৰত আৰু মেক্সিকোৰ মাজৰ মিত্ৰতাৰ সম্পৰ্কত আলোকপাত কৰি দুয়োগৰাকী নেতাই বাণিজ্য, বিনিয়োগ, ষ্টাৰ্ট আপ, উদ্ভাৱণ, বিজ্ঞান আৰু প্ৰযুক্তি, অট'মোটিভ খণ্ড আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক প্ৰসাৰৰ বাবে একেলগে কাম কৰি যোৱাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে দুয়োখন দেশে ছেমি কণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম আদি খণ্ডত সহযোগিতাৰে কাম কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লি জে মিয়ুঙৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই বিভিন্ন খণ্ডত সহযোগিতাৰ নতুন নতুন দিশ অন্বেষণৰ জৰিয়তে বিশেষ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। জি-চেভেন সন্মিলনত অংশগ্ৰহণৰ মাজতে শ্ৰীমোদীয়ে লগতে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ, জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইচিবা, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চাইৰিল ৰামাফোচা, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজ, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনি আৰু ব্ৰাজিলৰ প্ৰধানমন্ত্ৰী লুই ইনাচিঅ' লুলা দ্য চিলভাৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱানিশা কানানাস্কিছত জি-চেভেন সন্মিলনত অংশগ্ৰহণ কৰে। তেওঁ পৰিৱৰ্তিত বিশ্বত শক্তি সুৰক্ষা, প্ৰযুক্তি, আন্তঃগাঁথনি আৰু বিনিয়োগ বিষয়ক আলোচনাত অংশ লয়। এয়া হৈছে প্ৰধানমন্ত্ৰীগৰাকীৰ জি-চেভেন সন্মিলনত একেৰাহে ষষ্ঠবাৰৰ বাবে অংশগ্ৰহণ।

০০০০০

অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে নতুন দিল্লীত কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ পৰিচালনৰ পৰ্যালোচনা কৰে। সঞ্চালকালয়ে এয়াৰ ইণ্ডিয়াই শেহতীয়াকৈ বিমানৰ ব্যৱস্থাপনা সম্পৰ্কীয় বিষয়ত অৱগত কৰা তথ্যক লৈ উদ্বেগ প্ৰকাশ কৰে। সঞ্চালকালয়ে এয়াৰ ইণ্ডিয়াক অভিযান্ত্ৰিক, পৰিচালন, গ্ৰাউণ্ড হেণ্ডলিং গোটৰ মাজত আভ্যন্তৰিন সহযোগিতা অক্ষুন্ন ৰাখি কঠোৰভাৱে সকলো নিৰ্দেশনা পালন কৰিবলৈ পৰামৰ্শ দিয়ে। বৈঠকত শেহতীয়াকৈ আকাশী পথ বন্ধ কৰি দিয়া বিশেষকৈ ইৰাণৰ আকাশী পথ বন্ধ কৰাৰ প্ৰভাৱৰ পৰ্যালোচনা কৰা হয়। এই আকাশী পথ বন্ধ কৰাৰ ফলত বিমানৰ পথ সলনি হোৱাৰ লগতে বিমান পলম আৰু যাত্ৰা বাতিল হৈছে। সঞ্চালকালয়ে বিমানসমূহক যাত্ৰী আৰু ইয়াৰ পৰিচালনৰ সৈতে জড়িত সদস্যসকলৰ সৈতে সময়ে সময়ে যোগাযোগ ৰাখিবলৈ আৰু যাত্ৰীৰ অসুবিধা কম কৰাৰ বিকল্প ব্যৱস্থা গ্ৰহণ সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

০০০০০

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে অসমত আজি আৰু কাইলৈ ৰেড এলাৰ্ট জাৰি কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এই দুদিনত গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন অংশত ধুমুহা গাজনিৰে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱণা প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিতত এই সতৰ্কতা জাৰি কৰা হৈছে। মন্ত্ৰালয়ে জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। অৱশ্যে এই সময়ছোৱাত তাপমাত্ৰা ৩৭ৰ পৰা ৩৮ ডিগ্ৰী চেলছিয়াচৰ আশে পাশে থকাৰ বাবে গৰম আৰু আদ্ৰতাৰ অনুভূতি পূৰ্বৰ দৰে থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ইপিনে ৰাজ্যখনৰ বিশ্বনাথ আৰু লখিমপুৰ জিলাৰ ১০ খনকৈ গাঁও এতিয়াও বানৰ কবলত আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

00000

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমত এলানি ভাবুকিমুলক পোষ্ট যোগে প্ৰকাশ কৰিছে যে, ইৰাণৰ সৰ্বোচ্চ নেতা আলী খামেনেইক আমেৰিকাই হত্যা কৰিব পাৰে যদিও তেনে কৰাৰ পৰা বিৰত আছে। আমেৰিকাৰ সাধাৰণ নাগৰিক আৰু সৈন্যৰ বিৰুদ্ধে হ'ব পৰা প্ৰত্যাক্ৰমণৰ সম্ভাৱনালৈ লক্ষ্য ৰাখিয়েই আলী খামেনেইক আমেৰিকাই হত্যা নকৰাৰ একমাত্ৰ কাৰণ। দেশখনৰ সৰ্বোচ্চ নেতাগৰাকীক বিনাচৰ্তে আত্মসমৰ্পণ কৰিবলৈ ট্ৰাম্পে সকিয়নী প্ৰদান কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে ইৰাণক বিনাচৰ্তে আত্মসমৰ্পণ কৰিবলৈ আহ্বান জনাই কয়, যে আমেৰিকাই ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেই ক'ত লুকাই আছে, ভালদৰে জানে। কিন্তু এই পৰ্যন্ত তেঁও সুৰক্ষিত হৈ আছে। আমেৰিকাই কোনো কাৰণতে সাধাৰণ নাগৰিক আৰু মাৰ্কিন সেনাৰ ওপৰত ক্ষেপণাস্ত্ৰ বা গুলীবৰ্ষণ হোৱাটো নিবিচাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে জি-চেভেন ভ্ৰমণ আধাতে সামৰাৰ পাছত তেহেৰানৰ ৯৫ লাখ বাসিন্দাক দেশ এৰিবলৈ আহ্বান জনোৱাৰ পটভূমিত এই পোষ্টসমূহ দিয়া পৰিলক্ষিত হৈছে। ইয়াৰ পূৰ্বে ট্ৰাম্পে দৃঢ়তাৰে কৈছিল যে আমেৰিকাই এই সংঘাতত বৰ্তমানলৈ যোগদান কৰা নাই। কিন্তু ইৰাণক পাৰমাণৱিক কাৰ্যসূচী শেষ কৰাৰ চুক্তি কৰিবলৈ আমেৰিকাই কঠোৰভাৱে সকিয়নী প্ৰদান কৰিছে।

00000

ইজৰাইলৰ সেনাই ইৰাণৰ যুদ্ধকালীন চীফ অব ষ্টাফ তথা ছুপ্ৰিম লিডাৰ আয়াতুল্লা আলি খামেনেৰ ঘনিষ্ঠ উপদেষ্টা আলি ছাদমানীৰ তেহৰানৰ এটা কমাণ্ড চেণ্টাৰত হোৱা বিমান আক্ৰমণত মৃত্যু হৈছে বুলি নিশ্চিত কৰিছে। যোৱা শুকুৰবাৰে ইজৰাইলৰ আক্ৰমণত ইৰাণৰ চীফ অব্ ষ্টাফৰ মৃত্যু হোৱাৰ পাছতেই ছাদমানীয়ে দেশখনৰ খতম-অল-আনবিয়া কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ৰ নেতৃত্ব লৈছিল। ইৰাণৰ ছাইবাৰ সুৰক্ষা কমাণ্ডে ইজৰাইলে দেশখনৰ ডিজিটেল আন্তঃগাঁথনিক লক্ষ্য কৰি ব্যাপক ছাইবাৰ যুদ্ধ চলোৱা বুলি অভিযোগ কৰে। ইয়াৰ ফলত দেশখনৰ যাৱতীয় সেৱাসমূহ ব্যাহত হৈছে বুলি ইৰাণৰ এটা সংবাদ সংস্থাই প্ৰকাশ কৰিছে।

ইপিনে, কানাডত অনুষ্ঠিত জি-চেভেন সন্মিলনে গাজাত যুদ্ধ বিৰতিকে ধৰি মধ্য প্ৰাচ্যত হিংসাৰ অন্ত পেলোৱাৰ বাবে সামূহিক আহ্বান জাৰি কৰিছে। অৱশ্যে জি-চেভেন ৰাষ্ট্ৰগোষ্ঠীয়ে ইজৰাইল আৰু ইৰাণৰ মাজত যুদ্ধবিৰতিৰ বাবে পোনপটীয়াকৈ আহ্বান জনোৱা নাই। ইজিপ্তৰ বিদেশ মন্ত্ৰী বদৰ আবদেলাটিয়ে ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ্ আৰঘশ্চি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যপ্ৰাচ্যৰ ৰাষ্ট্ৰদূত ষ্টীভ ৱিটকফৰ সৈতে ফোনযোগে কথাপাতি তাৎক্ষণিকভাৱে এই সংঘৰ্ষৰ অন্ত পেলোৱাৰ বাবে আহ্বান জনায়।

00000

ছত্তিশগড়ৰ বিজাপুৰ জিলাৰ পেড্ডাকোৰ্মাত কালি সন্ধিয়া মাওবাদীয়ে তিনিজন গাঁওবাসীক হত্যা কৰাৰ লগতে ১২ জন লোকক অপহৰণ কৰে। সন্দেহযুক্তি মাওবাদীসকলে আত্মসমৰ্পন কৰা পূৰ্বৰ এজন মাওবাদীৰ পৰিয়ালক

লক্ষ্য কৰি নিৰ্দোষী গাওঁবাসীৰ ওপৰত অত্যাচাৰ চলায়। বিজাপুৰৰ অতিৰিক্ত আৰক্ষী আধীক্ষক চন্দ্ৰকান্ত গোভাৰ্নাই সাংবাদিকৰ আগত কয়, যে তেওঁলোকে এই ঘটনাৰ প্ৰাৰম্ভিক তথ্য লাভ কৰাৰ পাছতে ঘটনাস্থলীলৈ এটা দল প্ৰেৰণ কৰে। মাওবাদীয়ে গাওঁবাসী কেইজনক হত্যা কৰাৰ লগতে প্ৰায় ৭ গৰাকী লোকক বেয়াকৈ মাৰপিট কৰে বুলি অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

এফ আই এইচ হকী প্ৰ' লীগৰ এখন মেচত কালি নিশা লণ্ডনৰ লি ভেলী হকী এণ্ড টেনিছ চেণ্টাৰত ভাৰতীয় মহিলা দলটো আৰ্জেণ্টিনাৰ হাতত ১-৪ গ'লৰ ব্যৱধানত পৰাস্ত হয়। প্ৰতিযোগীতাৰ ইউৰোপীয় লেগত ১৫ জুনত অষ্ট্ৰেলিয়াৰ হাতত ১-২ গ'লত পৰাস্ত হোৱাৰ পিছত এয়া একেৰাহে ভাৰতৰ দ্বিতীয়টো পৰাজয়। দীপিকাই ভাৰতৰ হৈ হাফ টাইমৰ ঠিক পিছতে পেনাল্টি কৰ্ণাৰৰ জৰিয়তে একমাত্ৰ গ'লটো দি ১-১ গ'লত সমতা স্থাপন কৰিছিল। কিন্তু আৰ্জেণ্টিনাই খেলখন নিজৰ নিয়ন্ত্ৰণলৈ আনি পৰৱৰ্তী সময়ত আৰু তিনিটা গ'ল দি মেচখনত জয়লাভ কৰে।

ooooo

হকী ইণ্ডিয়া মাষ্টাৰছ কাপ আজি চেন্নাইত আৰম্ভ হ'ব। তামিলনাডু হকী গোটে আয়োজন কৰা এই ১০ দিনীয়া প্ৰতিযোগিতাখনত ৪০ বছৰৰ উৰ্ধৰ পুৰুষ আৰু ৩৫ বছৰৰ উৰ্ধৰ মহিলাই অংশগ্ৰহণ কৰিছে। এইবাৰৰ প্ৰতিযোগিতাত ইতিমধ্যে বাৰটা পুৰুষৰ দল আৰু আঠটা মহিলা দলে খিতাপ দখলৰ যুঁজত অৱতীৰ্ণ হ'ব। প্ৰথমে গ্ৰুপ মেচ অনুষ্ঠিত হ'ব আৰু তাৰ পিছত নকআউট পৰ্যায় আৰু ফাইনেল অনুষ্ঠিত হ'ব। মহিলাৰ উদ্বোধনী মেচখনত হিমাচল প্ৰদেশে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব। পুৰুষৰ উদ্বোধনী খেলখনত পঞ্জাবে পুডুচেৰীৰ বিৰুদ্ধে খেলিব। আজি দিনৰ ডেৰ বজাৰ পৰা প্ৰতিযোগীতা আৰম্ভ হোৱাৰ কথা।

ooooo

**সমাপ্ত**